**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। সমগ্ৰ দেশতে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসমতো আজি গণৰাজ্য দিৱস উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়।

২। কেন্দ্ৰীয় চৰকাৰে উমৈহতীয়া পেঞ্চন আঁচনি অৰ্থাৎ ইউ পি এছ্ কাৰ্যকৰী কৰাৰ বাবে আনুষ্ঠানিকভাৱে জাননী জাৰি কৰিছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় উন্নয়ন সংস্থাই বাংলাদেশৰ সৈতে সকলো ধৰণৰ সাহায্য কাৰ্যসূচী সাময়িকভাৱে বন্ধ কৰিছে।

৪। খ্যাতনামা হৃদৰোগ বিশেষজ্ঞ ড০ কে এম চেৰিয়ানৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে। ***আৰু***

৫। মহিলাৰ ১৯ বছৰৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেটত ভাৰতে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমগ্ৰ দেশতে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত গণৰাজ্য দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পৰম্পৰাগত **ঘোঁৰা বাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সন্মিলিত অভিবাদন গ্ৰহণ কৰে। কুচ-কাৱাজৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰি ৰাষ্ট্ৰৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা বীৰ শ্বহিদসকললৈ শ্ৰদ্ধা নিবেদন কৰে। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

স্বৰ্ণিম ভাৰত - ঐতিহ্য আৰু উন্নয়ন বিষয়বস্তুৰে সাজি উলিওৱা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ ৩১টা প্ৰতীকপট এইবেলি গণৰাজ্য দিৱসৰ কুচকাৱাজত অন্তৰ্ভুক্ত হয়। গণৰাজ্য দিৱসৰ কুচ-কাৱাজত স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ জোৱানসকলে শক্তি প্ৰদৰ্শন কৰে। দিৱসৰ এই কেন্দ্ৰীয় অনুষ্ঠানলৈ দহ হাজাৰ বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছিল। ইয়াৰে ভিতৰত পঞ্চায়ত, হস্ত শিল্পী, আশা আৰু অঙ্গনবাড়ী কৰ্মী, খেতিয়ক আদিৰ লগতে বিভিন্ন ক্ষেত্ৰৰ ব্যক্তি আজি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গণৰাজ্য দিৱসৰ নতুন দিল্লীত আয়োজিত কুচ-কাৱাজৰ অনুষ্ঠানে ভাৰতৰ বৈচিত্ৰ্যৰ মাজত একতাৰ ছবিখনকে প্ৰতিফলিত কৰিছে বুলি মন্তব্য কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই কাৰ্যসূচীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু সামৰিক ক্ষেত্ৰৰ সামৰ্থক প্ৰদৰ্শন কৰিছে

বুলি প্ৰকাশ কৰে। তদুপৰি এই কাৰ্যসূচীত প্ৰদৰ্শিত প্ৰতীকপটসমূহে ৰাজ্যসমূহৰ চহকী পৰম্পৰাক প্ৰতিনিধিত্ব কৰি বুলি তেওঁ উল্লেখ কৰে।

অসমতো আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয়, যে ৰাজ্যখনৰ সৰ্বাত্মক বিকাশৰ বাবে অসম চৰকাৰে কাম কৰি আহিছে। ৰাজ্যপালগৰাকীয়ে চৰকাৰৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত বিভিন্ন বিদ্ৰোহী গোটে অস্ত্ৰ সম্বৰণ কৰাৰ কথাও উল্লেখ কৰে। শ্ৰীআচাৰ্যই নিজৰ ভাষণত ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত হোৱা উন্নয়নৰ ওপৰত আলোকপাত কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে এসময়ত ৰাজ্যখনত একাংশ সংগঠনে গণৰাজ্য দিৱস বৰ্জনৰ আহ্বান জনোৱা পৰিৱেশৰ পৰিৱৰ্তে সম্প্ৰতি এই দিৱস উদযাপনৰ সুন্দৰ পৰিৱেশ ৰাজ্যখনত সৃষ্টি হৈছে। এই দিৱসৰ পৱিত্ৰ মুহূৰ্তত সংবিধান প্ৰণেতাসকলৰ ত্যাগ আৰু শ্ৰমক মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে স্মৰণ কৰে।

০০০০০

বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চ আয়োগে উৎসাহ-উদ্দীপনাৰে ভাৰতৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দেশখনত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে অংশ লয়। বাংলাদেশত ভাৰতৰ উচ্চ আয়ুক্ত প্ৰণয় বাৰ্মাই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে জনসাধাৰণক উদ্দেশ্যে দিয়া ভাষণৰ কিয়দাংশ পাঠ কৰে।

০০০০০

মণিপুৰতো আজি দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে জনসাধাৰণে কাৰ্যসূচীত অংশ লয়। ৰাজ্যখনৰ কাংলাত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি সুৰক্ষা বাহিনীসমূহৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিং, কেবিনেট মন্ত্ৰীসকল, সাংসদ-বিধায়ক আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে ত্ৰিৰংগ পতাকা উন্মোচন কৰি মণিপুৰৰ আৰক্ষী অধীক্ষক লাইশ্ৰাম ছৰিতা দেৱীৰ নেতৃত্বত সামৰিক দলসমূহৰ অভিবাদন গ্ৰহণ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে অনুষ্ঠানত দিয়া ভাষণত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে উন্নয়নৰ যাত্ৰাত ৰূপান্তৰকামী পৰিৱৰ্তনৰ সূচনা কৰিছে। মণিপুৰৰ চৰকাৰে সকলো প্ৰত্যাহ্বান নেওচি উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনক সুৰক্ষা প্ৰদান কৰাতো প্ৰতিগৰাকী নাগৰিকৰ অগ্ৰাধিকাৰ হোৱা উচিত বুলি মন্তব্য কৰি মণিপুৰৰ লগতে ভাৰতক শক্তিশালী কৰি গঢ় দিয়াৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশ ল'বলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে আমন্ত্ৰিত বিশেষ অতিথিসকলৰ সৈতে নতুন দিল্লীৰ আকাশবাণী ভৱন চৌহদত মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত বিশেষভাবে উল্লেখ কৰা ব্যক্তিসকলৰ সৈতে মত বিনিময়

কৰি কয়, যে তেওঁলোকে সমাজৰ উন্নয়নৰ হকে নিৰলসভাবে কাম কৰি আহিছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা আছুতীয়া  সাক্ষাতকাৰত শ্ৰীবৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰীয়ে মন কী বাত অনুষ্ঠানৰ জৰিয়তে এই লোকসকলৰ প্ৰেৰণাদায়ক কাম-কাজসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছে। এই অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগল, আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড় আৰু দূৰদৰ্শনৰ সঞ্চালকপ্ৰধান কাঞ্চন প্ৰসাদো উপস্থিত আছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উমৈহতীয়া পেন্সন আঁচনি অৰ্থাৎ ইউ পি এছ কাৰ্যকৰী কৰাৰ বাবে আনুষ্ঠানিকভাৱে জাননী জাৰি কৰিছে। অহা ১ এপ্ৰিলৰ পৰা এই আঁচনি কাৰ্যকৰী হ'ব। চৰকাৰে যোৱা বছৰৰ আগষ্টত ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থাৰ অধীনত বিকল্প ব্যৱস্থা হিচাপে এই আঁচনি প্ৰৱৰ্তন কৰিছিল। ৰাষ্ট্ৰীয় পেন্সন ব্যৱস্থা সামৰি লোৱা আৰু নতুন পেন্সন আঁচনিৰ অধীনত এই বিকল্প বাছি লোৱা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত উমৈহতীয়া পেন্সন আঁচনি কাৰ্যকৰী হ'ব বুলি এই সন্দৰ্ভত কালি জাৰি কৰা জাননীত উল্লেখ কৰা হৈছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় উন্নয়ন সংস্থাই বাংলাদেশৰ সৈতে সকলো ধৰণৰ সাহায্য কাৰ্যসূচী সাময়িকভাৱে বন্ধ কৰিছে। বাংলাদেশৰ সকলো অংশীদাৰলৈ এই সন্দৰ্ভত কালি এখন পত্ৰ প্ৰেৰণ কৰি সংস্থাটোৱে দেশখনৰ সৈতে চুক্তিভিত্তিক, কামৰ নিৰ্দেশ, অনুদান, সমবায় ভিত্তিক চুক্তি বা অন্য সাহায্য প্ৰদানকাৰী মাধ্যমেৰে সাহায্য প্ৰদান ব্যৱস্থা স্থগিত ৰাখিবলৈ নিৰ্দেশ দিছে। ইয়াৰ আগেয়ে যোৱা শুকুৰবাৰে আমেৰিকাই জৰুৰীকালীন অৱস্থাত খাদ্য যোগান আৰু ইজৰাইল আৰু ইজিপ্তত সামৰিক বাহিনীৰ বাবে বিত্ত যোগানৰ বাহিৰে অন্য সকলো বিদেশী সাহায্য প্ৰদান ব্যৱস্থা স্থগিত ৰখাৰ বিষয়ে ভাৰ্চুৱেলী ঘোষণা কৰিছিল। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বৈদেশিক নীতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি আমেৰিকাৰ বৈদেশিক সাহায্য প্ৰদান ব্যৱস্থাৰ পুনৰ মূল্যায়ন আৰু সমন্বয় সাধনৰ অংশ হিচাপে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই আকস্মিক সিদ্ধান্তই বাংলাদেশত থকা আমেৰিকাৰ সাহায্যপ্ৰাপ্ত অনা-চৰকাৰী সংস্থাসমূহৰ লগতে বিভিন্ন প্ৰকল্পৰ অংশীদাৰসকলৰ মাজতো উদ্বিগ্নতাৰ সৃষ্টি কৰিছে।

০০০০০

দেশৰ এগৰাকী খ্যাতনামা হৃদৰোগ বিশেষজ্ঞ ড০ কে এম চেৰিয়ানৰ আজি বেংগালুৰুত দেহাৱসান ঘটে। বিগত ৫০ বছৰৰো অধিক কাল হৃদৰোগৰ চিকিৎসা ক্ষেত্ৰত সেৱা আগবঢ়োৱা চেৰিয়ানৰ মৃত্যুৰ সময়ত বয়স আছিল ৮২ বছৰ। অলপতে কেৰালাত চিকিৎসকগৰাকীয়ে তেওঁৰ জীৱনী গ্ৰন্থ উন্মোচন কৰিছিল। ভাৰতৰ এগৰাকী ৰোগীৰ দেহত প্ৰথমবাৰৰ বাবে হাওফাও সংস্থাপন কৰাকে ধৰি হৃদৰোগৰ শল্য চিকিৎসাৰ ক্ষেত্ৰত কেইবাটাও দৃষ্টান্তমূলক কাৰ্য তেওঁ সম্পন্ন কৰিছে। তেওঁৰ নেতৃত্বত চেন্নাইত গঢ় লৈ উঠা বৃহৎ চিকিৎসা বিজ্ঞানৰ প্ৰতিষ্ঠানটোত চিকিৎসাৰ বাবে দেশ-বিদেশৰ অগণন ৰোগীৰ সমাগম ঘটে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড০ চেৰিয়ানৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত শ্ৰীমোদীয়ে চিকিৎসগৰাকীক দেশৰ এগৰাকী লেখত ল'বলগীয়া চিকিৎসক বুলি উল্লেখ কৰি হৃদৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অবিস্মৰণীয় হৈ ৰ'ব বুলি মন্তব্য কৰে।

০০০০০

তেলেংগানাৰ ৱাৰংগল জিলাৰ মামুনুৰু ঘাইপথত লোহাৰ সামগ্ৰী কঢ়িয়াই অহা এখন ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই দুখন অট'ৰিক্সাক খুন্দাৰ মৰাৰ ফলত ৫ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৬ জন লোক আহত হয়। ঘটনাৰ প্ৰাৰম্ভিক প্ৰতিবেদন অনুসৰি ৱাৰংগল জিলাৰ মামুনুৰু ঘাইপথৰ সমীপেৰে যাত্ৰা কৰি থকা সামগ্ৰী পৰিবাহী ট্ৰাকখনৰ বিজুতিৰ বাবে নিয়ন্ত্ৰণ হেৰুৱাৰ ফলত কাষেৰে পাৰ হৈ যোৱা অট'ৰিক্সা দুখনক খুন্দা মাৰে। এই ঘটনাৰ উদ্ধাৰকাৰ্য চলি থকা হেতুকে স্থানীয় প্ৰশাসনে মৃত্যু হোৱা লোকৰ সংখ্যা অধিক হ'ব পাৰে বুলি আশংকা কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা আহতসকলক উদ্ধাৰ কৰি ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ৰেৱন্থ ৰেড্ডীয়ে জিলাখনৰ প্ৰশাসনক আহতসকলক যথাসম্ভৱ উন্নত চিকিৎসা প্ৰদান কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

হামাছ আৰু ইজৰাইলৰ মাজত দ্বিতীয় পৰ্যায়ৰ পণবন্দী আৰু কয়দী বিনিময়ৰ কাম সম্পন্ন হৈছে বুলি আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰছ সমিতিয়ে ঘোষণা কৰিছে। সমিতিৰ সূত্ৰই প্ৰকাশ কৰা মতে যুদ্ধ বিৰতি চুক্তি প্ৰাৰম্ভিক চৰ্ত অনুসৰি এই বিনিময়ৰ কাৰ্য সম্পন্ন হয়। দ্বিতীয় পৰ্যায়ত আন্তঃৰাষ্ট্ৰীয় ৰেডক্ৰছ সমিতিয়ে চলোৱা সমন্বয় আৰু যোগাযোগ ৰক্ষাৰ প্ৰয়াসৰ অন্তত ২০০ গৰাকী পেলেষ্টাইনী বন্দী আৰু ৪ গৰাকী ইজৰাইলী পণবন্দীক মুকলি কৰি দিয়া হয়। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীৰ মুখপাত্ৰ ডেনিয়েল হাগাৰীয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে হামাছৰ পণবন্দী হৈ থকাৰ ৪৭৭ দিনৰ পাছত আৰু ৪ জন ইজৰাইলী পণবন্দীয়ে মুক্তি লাভ কৰে। তেওঁ কয়, যে প্ৰতিগৰাকী পণবন্দীক স্বদেশলৈ উভতি অহাৰ পাছতহে ইজৰাইলৰ এই অভিযানৰ অন্ত পৰিব।

ooooo

মহিলাৰ ১৯ বছৰৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেটত ভাৰতে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কুৱালালামপুৰৰ বায়ুৰেমাছ অভেল ষ্টেডিয়ামত আজি আয়োজিত এখন খেলত ভাৰতে বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। খেলখনত প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৬৬ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ অধিনায়ক ছুমাইয়া আখতাৰে সৰ্বাধিক ২১ ৰাণ সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। ভাৰতৰ হৈ বৈষ্ণৱী শৰ্মাই তিনিটা উইকেট দখল কৰে। ভাৰতৰ তৃষাই ৩১টা বলত ৪০ ৰাণ সংগ্ৰহ কৰে। দলটোৱে ৭ অভাৰ এটা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। মঙলবাৰে হ'বলগীয়া চূড়ান্ত ছুপাৰ ছিক্স পৰ্যায়ৰ খেলত ভাৰত স্কটলেণ্ডৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত